# খাদ্য সম্পদৰ উৎকৰ্ষ সাধন

## অনুশীলনী

**1. শস্যৰ অধিক উৎপাদন কৰিব পৰা যিকোনো এটা পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰা।**

উত্তৰঃ

শস্যৰ অধিক উৎপাদনৰ বাবে তলত দিয়া অনুশীলনবোৰৰ প্ৰয়োজন।

(i) শস্যৰ সঁচৰ উৎকৰ্ষ সাধন।

(ii) শস্যৰ উৎপাদনৰ উৎকৰ্ষ সাধন।

(iii) শস্যৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থাপনা।

**শস্যৰ সঁচৰ উৎকৰ্ষ সাধন** - সঁচ বা জাতবিলাক প্ৰজনন সংকৰণৰ পদ্ধতিৰে নিৰ্বাচন কৰি লোৱা হয়, যাতে সেইবিলাক বেমাৰ প্ৰতিৰোধী, সাৰৰ প্ৰতি সঁহাৰি দিয়া, উৎপাদনৰ গুণাগুণবিশিষ্ট আৰু অধিক উৎপাদনক্ষম হয়। বৰ্ণ সংকৰণ পদ্ধতিৰ সহায়ত উল্লেখিত গুণ বিশিষ্ট সঁচৰ উদ্ভাৱন কৰা হয়। অধিক উৎপাদনৰ বাবে খেতিয়ক এজনে উন্নত মানদণ্ডৰ বীজ বা সঁচ ব্যৱহাৰ কৰাৰ পিছত জলসিঞ্চন, কৃত্ৰিম বা জৈৱিক সাৰ আৰু শস্য সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে অধিক উৎপাদন পাবলৈ সক্ষম হব।

**2. পথাৰত কিয় জৈৱ সাৰ আৰু কৃত্ৰিম সাৰ প্ৰয়োগ কৰা হয় ?**

উত্তৰঃ

উদ্ভিদৰ বৃদ্ধি, বিকাশ জীয়াই থাকিবলৈ কিছুমান অণুপোষকৰ প্ৰয়োজন।

এনে অণুপোষক প্ৰায় 16 বিধ। তাৰে তিনিবিধ কাৰ্বন, হাইড্ৰজেন আৰু অক্সিজেন ক্ৰমে বায়ু আৰু পানীৰ পৰা পোৱা যায়। আন 13 বিধ অণুপোষক। উদ্ভিদে মাটিৰ পৰা আহৰণ কৰে। মাটিত এই অণুপোষকবোৰৰ অভাৱ হ'লে এনে অণুপোষক যোগান ধৰাৰ প্ৰয়োজন হয়। সেইবাবে মাটিত জৈৱিক সাৰ আৰু কৃত্ৰিম সাৰ প্ৰয়োগ কৰি প্ৰয়োজনীয় অণুপোষকবোৰ যোগান ধৰা হয়। উদ্ভিদৰ প্ৰয়োজনীয় অণুপোষকবোৰৰ আন 13 বিধ হ'ল N, P, K, Ca, Mg, S মুখ্য অণুপোষক আৰু Fe, Mn, B, Zn, Cu আৰু Mo ক্ষুদ্ৰমাত্ৰিক অণুপোষক।

**3. অন্তৰাৱৰ্তী কৃষি পদ্ধতি আৰু শস্যাৱৰ্তনৰ সুবিধাসমূহ কি কি ?**

উত্তৰঃ

অন্তৰাৱৰ্তী কৃষি পদ্ধতিত কোনো এবিধ শস্যৰ কেইশাৰীমান ৰোপণ কৰাৰ পিছত আনবিধ শস্যৰ কেইশাৰীমান ৰোপণ কৰা হয়। এনেদৰে পুনৰাবৃত্তি কৰি এটাৰ পিছত আনটো শস্যৰ শাৰী ৰোপণ কৰাৰ ফলত মাটিডৰাত থকা অণুপোষকবোৰৰ ভাৰসাম্য ৰক্ষা হয়। এনে পদ্ধতিত দুয়োবিধ শস্যৰ উৎপাদন বৃদ্ধি হয়। শস্যাৱৰ্তন প্ৰথাত একেডোখৰ মাটিত এটাৰ পিছত এটাকৈ বিভিন্ন শস্যৰ খেতি কৰা হয়। শস্যাৱৰ্তনৰ ফলত মাটিডৰাত অণুপোষকবোৰৰ ব্যৱহাৰ উপযুক্ত ধৰণে হয় আৰু একেটা বছৰত একেডৰা মাটিৰ পৰা বেলেগ বেলেগ শস্য উৎপাদন কৰিব পাৰি।

4. জিনীয় সালসলনি কি ? ই কৃষি পদ্ধতিত কিয় উপযোগী ?

উত্তৰঃ

জিনীয় সালসলনি হ'ল জিনীয়ভাৱে পাৰ্থক্য থকা দুটা উদ্ভিদৰ মাজত কৰা প্ৰজনন পদ্ধতি। এই পদ্ধতিত একে প্ৰজাতি বা একে জাতি বা গণৰ দুটা সঁচৰ মাজত ঘটোৱা কৃত্ৰিম প্ৰজনন।

জিনীয় সালসলনি কৰি উন্নত আৰু উৎপাদনক্ষম, ৰোগ প্ৰতিৰোধকাৰী বিভিন্ন পৰিবেশত অভিযোজন কৰিব পৰা শস্যবীজ উৎপাদন কৰিব পাৰি। বৰ্তমান খাদ্য শস্যৰ উৎপাদন বৃদ্ধি কৰাৰ প্ৰয়াসৰ ক্ষেত্ৰত জিনীয় সালসলনিয়ে বিশেষ ভূমিকা পালন কৰিছে। 5. ভঁৰালত মজুত ৰখা শস্যৰ কেনেদৰে ক্ষতি হয় ? উত্তৰ ভঁৰালত মজুত ৰখা শস্যৰ ক্ষতি দুই ধৰণে হ'ব পাৰে—
(i) জৈৱিক কাৰকৰ বাবে হোৱা ক্ষতি যেনে— এন্দুৰ, নিগনি, পোকৰ আক্ৰমণ,
ভেঁকুৰ, অণুজীৱ আদিৰ ক্ৰিয়া ইত্যাদি।
(ii) অজৈৱিক কাৰক - উপযুক্ত উষ্ণতাৰ অভাৱ, জলীয় বাষ্পৰ ক্ৰিয়া ইত্যাদি।

**6. পশুপালনৰ দ্বাৰা কৃষকসকল কেনেকৈ লাভান্বিত হয় ?**

উত্তৰঃ

পশুপালনৰ দ্বাৰা কৃষকসকল যথেষ্ট লাভজনক হ'ব পাৰে। পশুধনৰ বাবে প্ৰয়োজনীয় বিভিন্ন খাদ্য কৃষি কাৰ্যৰ পৰাই উৎপাদন কৰিব পাৰি। আনহাতে, পশুধন বা জীৱ-জন্তুৰ মল-মূত্ৰ জৈৱিক সাৰ হিচাবে শস্যত প্ৰয়োগ কৰিব পাৰে। যিহেতু মানুহে খাদ্যৰ বাবে প্ৰাণী আৰু উদ্ভিদৰ ওপৰত নিৰ্ভৰ কৰে গতিকে বিভিন্ন প্ৰাণীজ খাদ্য উৎপাদন কৰি কৃষকসকল লাভান্বিত হ'ব পাৰে। যেনে গাখীৰ উৎপাদন, কণী উৎপাদন, মাংস উৎপাদন আদি।

**7. গো পালনৰ দ্বাৰা কি কি লাভালাভ হয় ?**

উত্তৰঃ

গো-পালনৰ যোগেদি কৃষকসকল অতি লাভৱান হয়। গো-পালনৰ বাবে পশুধনৰ বাবে প্ৰয়োজনীয় খাদ্য কৃষিকাৰ্যৰ পৰা উৎপাদন কৰাৰ লগতে গৰুৰ গোবৰ কৃষিকাৰ্যৰ এটি উত্তম সাৰ। | গো-পালনৰ যোগেদি যি গাখীৰ উৎপাদন কৰা হয় তাৰ যোগেদি পশুপালকসকল প্ৰধানকৈ লাভৱান হয়। ইয়াৰ উপৰিও হাল বোৱা, গাড়ী না আদি কামতো (বলধ) গৰু ব্যৱহাৰ কৰা হয়।

**8. মৌ পালন কিয় কৰিব লাগে? ইয়াৰ জাতবোৰ কি কি ?**

উত্তৰঃ

মৌ-জোল আৰু মৌ-সিতা এবিধ পুষ্টিকৰ আহাৰ। এনে মৌ-জোল উৎপাদন কৰিবলৈ মৌ পালন কৰিব লাগে। ভাৰতবৰ্ষত পোৱা মৌৰ জাতবোৰ হ'ল— এপিচ্ ইন্দিকা, এপিচ ডৰ্চেটা, ৰ বী (Rock bee) আদি।

**9. এক'ৱা কালচাৰ আৰু মেৰীকালচাৰ কি ?**

উত্তৰঃ

নদী-মোহনা (estuary) আৰু লেগুন (Lagon) সমূহ মৎস্য ভাণ্ডাৰৰ উৎস। এনে ধৰণৰ অন্তৰ্দেশীয় মীন ক্ষেত্ৰত মৎস্য উৎপাদন সন্তোষজনক কৰি তুলিবলৈ কৰা ব্যৱস্থাক এক'ৱা

কালচাৰ বোলা হয়। সমুদ্ৰ অঞ্চলৰ মৎস্য উৎপাদন কৰিবলৈ লোৱা ব্যৱস্থাক মেৰীকালচাৰ, বোলা হয়।